প্ৰেছ বাৰ্তা

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, অসম

# পিএমএৱাই-জিৰ হিতাধিকাৰীলৈ বিধিসন্মতভাৱে প্ৰাপ্য মজুৰি প্ৰদানত অনিয়ম

# ঘিলামৰা উন্নয়ন খণ্ডৰ অধীনৰ গ্ৰাম সেৱকক নিলম্বন

**গুৱাহাটী ১৬ মে’ ঃ** আজি লখিমপুৰ জিলা পৰিষদৰ ঘিলামৰা উন্নয়ন খণ্ডৰ অধীনৰ গ্ৰাম সেৱক নিতুল গগৈক তৎকালীনভাৱে বলবৎ হোৱাকৈ নিলম্বন কৰা হৈছে। প্ৰধানমন্ত্ৰী আৱাস যোজনা-গ্ৰামীণৰ হিতাধিকাৰীয়ে নিজৰ ঘৰ নিৰ্মাণ কাৰ্যত শ্ৰমদান কৰি এমজিএনৰেগাৰ অধীনত বিধি অনুসৰি পাবলগীয়া ৯৫ দিনৰ মজুৰি প্ৰদানত কৰা বিত্তীয় খেলি-মেলি সন্দৰ্ভত বিভাগীয় মন্ত্ৰী নৱ কুমাৰ দলে দিয়া নিৰ্দেশৰ ভিত্তিত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াই এই বিষয়ে তদন্ত কৰি এই তদন্তৰ প্ৰতিবেদন বিভাগৰ আয়ুক্তৰ ওচৰত দাখিল কৰে। এই প্ৰতিবেদনৰ ভিত্তিত বিভাগৰ আয়ুক্ত হেমেন দাসে গ্ৰাম সেৱকগৰাকীৰ নিলম্বনৰ নিৰ্দেশ জাৰি কৰে।

*এম আৰ ডি/১৬-০৫-২০২০*